**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-OCT-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**--------------------**

০০০০০০

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ তৃতীয় বৰ্গৰ ফলাফলসমূহ আজি ঘোষণা কৰা হয়। পৰীক্ষাৰ্থীসকলে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ সংশ্লিষ্ট ৱেবছাইটত গৈ তেওঁলোকৰ ফলাফলসমূহ লাভ কৰিব পাৰিব। প্ৰতিটো পদৰ বাবে দুজনকৈ প্ৰাৰ্থী বাছনি কৰা হৈছিল। এই বাছনিকৃত প্ৰাৰ্থীসকলৰ দক্ষতা প্ৰমাণৰ পাছত আজি চূড়ান্ত ফলাফল প্ৰকাশ পায়। তৃতীয় বৰ্গৰ ৭ হাজাৰ ৬৫০টা পদৰ বাবে প্ৰাৰ্থী চূড়ান্ত কৰা হৈছে।

অসম আৰক্ষীৰ বিভিন্ন পদৰ পৰীক্ষাৰ চূড়ান্ত ফলাফলসমূহ আজি ঘোষণা কৰা হৈছে। ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি বোৰ্ডৰ www.slprbassam.in ৱেবছাইটত এই ফলাফলসমূহো ঘোষণা কৰা হয়। একেদৰে অসম আৰক্ষীৰ ১৪৪টা উপ-পৰিদৰ্শক পদ, অসম আৰক্ষী অনাতাঁৰ সংগঠনৰ ৭টা উপ-পৰিদৰ্শক, অসম কামাণ্ডো বেটেলিয়নৰ ৫১টা উপ-পৰিদৰ্শক আৰু ১৬৪টা কনিষ্টবল পদৰ লগতে অন্যান্য পদসমূহৰ কাৰণে আয়োজন কৰা পৰীক্ষাসমূহৰো ফলাফল আজি ঘোষণা কৰা হয়। ইপিনে গুৱাহাটী উচ্চ ন্যায়ালয়ে কালি কনিষ্টবল পদত থকা স্থগিতাদেশ প্ৰত্যাহাৰ কৰাৰ পাছত বাকী থকা পাঁচ হাজাৰ ৬১৪ টা পদৰ ফলাফল কাইলৈ ঘোষণা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

০০০০০০

৬৪খন দেশ বাইকেৰে ভ্ৰমণ কৰা মিনাক্ষী দাসে জুবিন গাৰ্গৰ বাবে ন্যায়ৰ দাবী কৰিছে। ইণ্ডো-চীন সীমান্তৰ তাতচিং ভ্ৰমণ সামৰি শিৱসাগৰত কালি বিয়লি উপস্থিত হোৱা মিনাক্ষী দাসে শিৱসাগৰৰ ইতিহাস প্ৰসিদ্ধ ৰংঘৰৰ সন্মুখৰ পৰা শিল্পীগৰাকীৰ প্ৰতি এই দাবী উত্থাপন কৰে।

বাইট

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তত সহযোগিতা আগনবঢ়োৱাৰ পৰিপ্ৰেক্ষিতত বিশেষ অনুসন্ধানকাৰী গোটে ছিংগাপুৰৰ অসম এচ'ছিয়েছনৰ ১০ জন সদস্যলৈ নতুনকৈ চমন জাৰি কৰিছে। প্ৰাৰম্ভিক অৱস্থাত এছ্ আই টিয়ে অসম এচ'ছিয়েছনৰ ৮ জনলৈ চমন জাৰি কৰিছিল যদিও ইয়াৰে কেৱল ৰূপকমল কলিতাহে যোৱা মঙলবাৰে এছ্ আই টিৰ সন্মুখত হাজিৰ হয়। সোধা-পোচাৰ সময়ত কলিতাই আৰক্ষীক তদন্তত সহযোগিতাৰ আশ্বাস দিয়ে। ইপিনে এছ্ আই টিয়ে কলিতাক সোধা-পোচা কৰাৰ পাছত দুৰ্ঘটনা সন্দৰ্ভত বহু নতুন তথ্য লাভ কৰিছে। বিশেষকৈ ছিংগাপুৰৰ সাগৰলৈ যোৱাৰ সময়ত য়'টত জুবিন গাৰ্গৰ সৈতে ৮ জনৰ পৰিবৰ্তে মুঠ ১০ জন প্ৰবাসী অসমীয়া আছিল বুলি তথ্য পোৱা গৈছে। ইয়াৰে এগৰাকী নলবাৰীৰ টিহুৰ সুস্মিতা গোস্বামী বুলি জানিব পৰা গৈছে। তেওঁ সম্প্ৰতি ছিংগাপুৰত অধ্যয়ন কৰি আছে। এছ্ আই টিয়ে কালিও এই ঘটনা সংক্ৰান্তত বহুকেইজন লোকৰ ভাষ্য গ্ৰহণ কৰে। বিশিষ্ট শব্দ অভিযন্তা

দিগন্ত শৰ্মা, নৰ্থ-ইষ্ট ফেষ্টিভেলৰ জনসম্পৰ্কৰক্ষী বিষয়া অনুজ কুমাৰ বৰুৱা, বাদ্য যন্ত্ৰী পাৰ্থপ্ৰতিম গোস্বামী, জুবিন গাৰ্গৰ দুজন ব্যক্তিগত দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু প্ৰবীন বৈশ্যৰ ভাষ্য সংগ্ৰহ কৰা হয়।

০০০০০০

অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ে ২০২৫-২৬ বৰ্ষৰ বাবে আহ্বান জনোৱা অসম শিল্পী পেন্সন আৰু বিশেষ পৰিয়াল পেন্সন তথা বাৰ্ষিক শিল্পী সন্মানৰ আৱেদনৰ দিন বৃদ্ধি কৰিছে। পূৰ্বে ১০ অক্টোবৰৰ ভিতৰত পেন্সনৰ বাবে আৱেদন দাখিল কৰিবলৈ কোৱা হৈছিল যদিও সম্প্ৰতি অনলাইন আৱেদন পত্ৰ দাখিলৰ অন্তিম দিন ২০ অক্টোবৰলৈ পিছুৱাই দিয়া হৈছে। আগ্ৰহীসকলে ২০ অক্টোবৰৰ নিশা ১২ বজাৰ ভিতৰত অনলাইন যোগে আৱেদন কৰিব পাৰিব।

০০০০০০

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত কালিৰে পৰা দুদিনীয়াকৈ ৰাষ্ট্ৰীয় জৈৱ কীটনাশক সন্মিলন অনুষ্ঠিত হৈছে। মহাৰাষ্ট্ৰৰ এগ্ৰিকালচাৰেল মাইক্ৰ'অৰ্গেনিজিম মেন্যুফেকচাৰাৰ্ছ এণ্ড ফাৰ্মাৰ্ছ এছোচিয়েচন আৰু অসম কৃষি বিশ্ববিদ্যালয়ৰ উদ্যোগত এই সন্মিলন অনুষ্ঠিত হৈছে। এই উপলক্ষে বিশ্ববিদ্যালয়খনৰ মাধৱ চন্দ্ৰ দাস সোঁৱৰণী প্ৰেক্ষাগৃহত কালি আয়োজিত অনুষ্ঠানত উত্তৰ প্ৰদেশৰ এন বি এ আই এমৰ সঞ্চালক ড° আলোক কে. শ্ৰীবাস্তৱে সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত সন্মিলনৰ সমন্বয়ক ধানেশ্বৰ ৰাক্‌চুৱে নিজৰ ভাষণত ৰাসায়নিক সাৰ আৰু কীটনাশকৰ পৰিৱৰ্তে জৈৱিক কীটনাশকৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বিভিন্ন শাখাৰ সন্মানসমূহ আগবঢ়োৱা হয়। অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎচন্দন ডেকাক এই অনুষ্ঠানতে জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰা হয়। সন্মিলনত দেশৰ বিভিন্ন প্ৰান্তৰ শতাধিক গৱেষক বিজ্ঞানী আৰু শিক্ষাৰ্থীয়ে গৱেষণা-পত্ৰ পাঠ কৰে।

০০০০০০

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজত নতুন দিল্লীত চলিত টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল আজি আৰম্ভ হৈছে। ভাৰতে প্ৰথমে বেটিং কৰি এই বাতৰি লিখাৰ পৰলৈকে এটা উইকেট হেৰুৱাই ৯৪ ৰাণ সংগ্ৰহ কৰিছে।

আহমেদাবাদত অনুষ্ঠিত প্ৰথমখন টেষ্টত ভাৰত এক ইনিংছ আৰু ১৪০ ৰানত বিজয়ী হৈছিল। আন এক জয়েৰে শৃংখলাত ক্লীন চুইপৰ লক্ষ্যৰে শুভমন গীল নেতৃত্বাধীন ভাৰতীয় দলটো টেষ্টত অৱতীৰ্ণ হৈছে।

০০০০০০

সমাপ্ত